**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-11-2025 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

----------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তামিলনাডুৰ কইম্বাতুৰৰ পৰা সমগ্ৰ দেশৰ ৯ কোটি খেতিয়কলৈ প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ অধীনত ১৮ হাজাৰ কোটি টকাৰ ২১ সংখ্যক কিস্তি মুকলি কৰে।

২। ডিজিটেল ইণ্ডিয়া এক প্ৰকাৰৰ ৰূপান্তৰকাৰী উদ্যম আৰু এই উদ্যমে জনসাধাৰণৰ বাবে প্ৰযুক্তি সহজলভ্য কৰি তুলি অগণন সুযোগৰ দুৱাৰ মুকলি কৰিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

৩। জে ডি ইউৰ নেতা নীতিশ কুমাৰে কাইলৈ দশম বাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব।

৪। কুখ্যাত অপৰাধী অনমোল বিষ্ণইক আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা প্ৰত্যাৰ্পনৰ পাছত আজি ভাৰতলৈ ঘূৰাই অনা হয়।

*আৰু*

৫। ভাৰতৰ অৰুন্ধতী চৌধৰীয়ে গ্ৰেটাৰ নয়দাত অনুষ্ঠিত বিশ্বকাপ বক্সিঙৰ মহিলাৰ ৭০ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তামিলনাডুৰ কইম্বাতুৰৰ পৰা সমগ্ৰ দেশৰ ৯ কোটি খেতিয়কলৈ প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ অধীনত ১৮ হাজাৰ কোটি টকাৰ ২১ সংখ্যক কিস্তি মুকলি কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে কয় যে বিগত ১১ বছৰত কৃষিখণ্ডত আমূল পৰিৱৰ্তন সাধন হৈছে। তেওঁ কয় যে ভাৰত প্ৰাকৃতিক খেতিৰ গোলকীয় কেন্দ্ৰৰূপে পৰিগণিত হৈছে আৰু ইয়াৰ জৈৱ বিবিধতাই নতুন আকাৰ লাভ কৰিছে। কৃষিজাত সামগ্ৰী দুগুণলৈ বৃদ্ধি হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে চৰকাৰে কৃষিপদ্ধতি আধুনিকীকৰণৰ বাবে ভালেমান পদক্ষেপ লৈছে। তেওঁ কয় যে কিষাণ ক্ৰেডিট কাৰ্ডৰ জৰিয়তে কৃষকসকললৈ ১০ কোটিৰো অধিক টকা আগবঢ়োৱা হৈছে। তেওঁ লগতে কয় যে জৈৱ সাৰৰ ওপৰত আৰোপিত সামগ্ৰী আৰু সেৱা কৰ জি এছ টি হ্ৰাস কৰাৰ ফলত খেতিয়কসকল যথেষ্ট উপকৃত হৈছে। দেশৰ যুৱ প্ৰজন্মই সম্প্ৰতি কৃষিক আধুনিক আৰু উন্নত সুযোগ হিচাপে গণ্য কৰিবলৈ লোৱা বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ভৱিষ্যমুখী কৃষি পদ্ধতি গঢ়ি তোলাৰ বাবে সমন্বিতভাৱে প্ৰচেষ্টা চলোৱাৰ আৱশ্যকতা আছে। তেওঁ লগতে খেতিয়কসকলক এটা কৃষিবৰ্ষত কমেও ১ একৰ ভূমিত প্ৰাকৃতিক পদ্ধতিৰে খেতি কৰিবলৈ আৰু অভূতপূৰ্ব ফল প্ৰত্যক্ষ কৰিবলৈ আহ্বান জনায়।

অনুষ্ঠানত অংশগ্ৰহণ কৰি তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগনে কয় যে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ পৰা তামিলনাডুৰ ২২ লাখ খেতিয়ক উপকৃত হৈছে। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে একাংশ

খেতিয়কৰ সৈতে মত-বিনিময় কৰে। তেওঁ লগতে পাঁচগৰাকী আগশাৰীৰ প্ৰাকৃতিক খেতিয়কক সম্বৰ্দ্ধনা জনায়।

০০০০০০০

ডিজিটেল ইণ্ডিয়া এক প্ৰকাৰৰ ৰূপান্তৰকাৰী উদ্যম আৰু এই উদ্যমে জনসাধাৰণৰ বাবে প্ৰযুক্তি সহজলভ্য কৰি তুলি অগণন সুযোগৰ দুৱাৰ মুকলি কৰিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ পঞ্চম বাৰ্ষিক সমাৱৰ্তন সমাৰোহত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সকলোকে সমান সুযোগ প্ৰদান কৰাৰ উদ্দেশ্যে দ্ৰুত ইণ্টাৰনেট সেৱা আৰু শেহতীয়া প্ৰযুক্তি দূৰণিবটীয়া এলেকালৈ লৈ যোৱা হৈছে। তেওঁ কয় যে ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ লেখিয়া প্ৰতিষ্ঠানসমূহে আদৰ্শ ডিজিটেল গাঁও সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। তেওঁ লগতে শিক্ষাৰ্থীসকলক নতুন দিশত চিন্তা-চৰ্চা কৰিবলৈ আৰু নতুন প্ৰযুক্তিৰ অন্বেষণত ব্ৰতী হ'বলৈ আহ্বান জনায়। উৎসাহ-উদ্দীপনা আৰু আত্মবিশ্বাসেৰে দেশ উন্নত ভাৰত গঢ়াৰ লক্ষ্যৰে অগ্ৰসৰ হৈছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। তেওঁ লগতে কয় যে দেশে জলবায়ু পৰিৱৰ্তনৰ সমস্যা সমাধানৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা আহিছে।

০০০০০০০

জনতা দল ইউনাইটেডৰ মুৰব্বী নীতিশ কুমাৰ বিহাৰত এন ডি এৰ নেতা হিচাপে নিৰ্বাচিত হৈছে। পাটনাত আজি অনুষ্ঠিত এন ডি এৰ পাঁচটা অংশীদাৰী দলৰ নৱনিৰ্বাচিত বিধায়কসকলৰ যৌথ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

এন ডি এই ৰাজ্যখনৰ ২৪৩জনীয়া বিধানসভাৰ বাবে অলপতে হোৱা নিৰ্বাচনত ২০২খন আসন লাভ কৰি বিপুল সংখ্যাগৰিষ্ঠতাৰে পুনৰ ক্ষমতা হস্তগত কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে বিজেপিৰ নেতা সম্ৰাট চৌধৰীক দলৰ বিধায়িনী গোটৰ নেতা আৰু বিজয় সিনহাক উপ-নেতা হিচাপে নিৰ্বাচিত কৰা হয়।

জে ডি ইউৰ নেতা নীতিশ কুমাৰে কাইলৈ দশম বাৰৰ বাবে বিহাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। পাটনাত ঐতিহাসিক গান্ধী ময়দানত আয়োজিত এই শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আনৈ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু কাইলৈ ছত্তিশগড়, তেলেংগানা আৰু অন্ধ্ৰ প্ৰদেশৰ তিনিদিনীয়া ভ্ৰমণসূচীৰে ৰাওনা হ'ব। ছত্তিশগড় ভ্ৰমণ কালত ৰাষ্ট্ৰপতি অম্বিকাপুৰত আয়োজিত জনজাতীয় গৌৰৱ দিৱস উদযাপন অনুষ্ঠানত উপস্থিত থাকিব।

ভ্ৰমণৰ দ্বিতীয় দিনা শ্ৰীমতী মুৰ্মুৱে তেলেংগানাৰ চিকন্দাবাদৰ ৰাষ্ট্ৰপতি নিলয়মত ভাৰতীয় কলা মহোৎসৱ ২০২৫ মুকলি কৰিব। ভাৰতীয় কলা মহোৎসৱৰ এই দ্বিতীয় সংস্কৰণত গুজৰাট, মহাৰাষ্ট্ৰ, ৰাজস্থান, গোৱা, দাদৰা আৰু নগৰ হাভেলী তথা দমন আৰু দিউৰ চহকী সাংস্কৃতিক বন্ধন আৰু কলাত্মক পৰম্পৰাৰ বিষয়ে আলোকপাত কৰা হ'ব। শনিবাৰে ৰাষ্ট্ৰপতিগৰাকীয়ে অন্ধ্ৰপ্ৰদেশৰ পুট্টাপাৰ্থিৰ প্ৰশান্তি নিলয়মত শ্ৰীসত্য সাইবাবাৰ শতবাৰ্ষিকী উদযাপনৰ সৈতে সংগতি ৰাখি আয়োজন কৰা বিশেষ অধিবেশনত উপস্থিত থাকিব।

০০০০০০০

কুখ্যাত অপৰাধী অনমোল বিষ্ণইক আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা প্ৰত্যাৰ্পনৰ পাছত আজি ভাৰতলৈ ঘূৰাই অনা হয়। গেংষ্টাৰ লৰেঞ্চ বিষ্ণইৰ ভাতৃ আৰু ঘনিষ্ঠ সহযোগী অনমোল বিষ্ণই ৰাষ্ট্ৰীয় তদন্ত সংস্থাই গ্ৰেপ্তাৰ কৰিছে। তদন্তকাৰী সংস্থাটোৱে প্ৰকাশ কৰা মতে আমেৰিকাত বাস কৰা বিষ্ণই ২০২২ চনৰ পৰা পলাতক অৱস্থাত আছিল। সম্প্ৰতি কাৰাবন্দী হৈ থকা ভাতৃ লৰেঞ্চ বিষ্ণই নেতৃত্বাধীন সন্ত্ৰাসবাদী চক্ৰৰ সৈতে জড়িত থকাৰ অভিযোগত অনমোলকে ধৰি বৰ্তমানলৈকে ১৯জন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। তদন্তকাৰী সংস্থাই ২০২৩ চনৰ মাৰ্চত অপৰাধীজনৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে। তদন্তকাৰী সংস্থাটোৱে প্ৰকাশ কৰা মতে বিষ্ণই চক্ৰৰ বিভিন্ন সহযোগীৰ সৈতে অনমোলে আমেৰিকাৰ পৰাই লৰেঞ্চ বিষ্ণই গোটৰ হৈ সন্ত্ৰাসবাদী চিণ্ডিকেট আৰু গতিবিধি চলাই আছিল।

0000000

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত ২০২৬-২৭ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় বাজেট সন্দৰ্ভত বেংকিং, বিত্তীয় সেৱা আৰু বীমা খণ্ডৰ বিশেষজ্ঞসকলৰ সৈতে সপ্তম প্ৰাক বাজেট আলোচনাত মিলিত হয়। বৈঠকত বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধুৰী, অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিব, কেন্দ্ৰীয় চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা আৰু মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

বিত্ত মন্ত্ৰালয়ে সাধাৰণতে বাজেট দাখিলৰ পূৰ্বে প্ৰত্যেক বছৰে বিশেষজ্ঞ, উদ্যোগ জগতৰ কাণ্ডাৰী, অৰ্থনীতিবিদ আৰু ৰাজ্যিক বিষয়াসকলৰ সৈতে কেইবালানিও প্ৰাক্ বাজেট পৰামৰ্শ বৈঠকত মিলিত হয়। কেন্দ্ৰীয় বাজেটত বিভিন্ন দৃষ্টিভংগী আৰু অৰ্থনৈতিক অগ্ৰাধিকাৰৰ প্ৰতিফলন ঘটাটো সুনিশ্চিত কৰাই এনে আলোচনাৰ মূল উদ্দেশ্য।

0000000

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ জয়শংকৰে আজি মস্কোত ৰাছিয়াৰ প্ৰথমজন উপ প্ৰধানমন্ত্ৰী ডেনিশ মানটুৰ'ভক সাক্ষাৎ কৰে । সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী জয়শংকৰে কয় যে আজিৰ কাৰ্যসূচীত অহা মাহত দিল্লীত হ'বলগীয়া ভাৰত আৰু ৰাছিয়াৰ নেতাসকলৰ বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰা হয়।আজিৰ অনুষ্ঠানত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰো পৰ্যালোচনা কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

0000000

অৰাছিয়াৰ ড্ৰ'ন আৰু ক্ষেপণাস্ত্ৰৰ আক্ৰমণৰ ফলত সমগ্ৰ ইউক্ৰেইনত ১৯ জন লোকৰ মৃত্যুৰ লগতে কেইবা ডজন লোক আহত হয় আৰু কেবাটাও আৱাসিক অঞ্চল বিধ্বস্ত হয়। টেৰনপিলত দুটা ন মহলীয়া অট্টালিকাত আক্ৰমণ কৰাৰ ফলত শিশুকে ধৰি মুঠ ৩৭ জন লোক আহত হয়।

ইউক্ৰেইনে প্ৰকাশ কৰা অনুসৰি ৰাছিয়াই কেইবা ডজন ক্ষেপণাস্ত্ৰৰ লগতে শ শ ষ্ট্ৰাইক আৰু ডিক'ই ড্ৰ'ন নিক্ষেপ কৰিছিল। ৰাষ্ট্ৰপতি জেলেনস্কিয়ে সম্ভাব্য নিষ্পত্তিৰ দিশত প্ৰচেষ্টা আগবঢ়াই নিয়াৰ লক্ষ্যৰে আলোচনাৰ বাবে তুৰস্কলৈ যোৱাৰ সময়তে এই আক্ৰমণ সংঘটিত

হয়। ইফালে ৰাছিয়াই জনোৱা মতে, আটক কৰা ইউক্ৰেইনৰ এ টি এ চি এম এছ ক্ষেপণাস্ত্ৰই ভ’ৰ'নেজৰ অসামৰিক স্থানত আক্ৰমণ কৰিছিল।

0000000

নতুন দিল্লীৰ সুষমা স্বৰাজ ইনষ্টিটিউট অব্ ফৰেইন চাৰ্ভিচত বিমষ্টেকৰ যুৱ কুটনীতিবিদসকলৰ মাজত বাৰ্ষিক মত বিনিময় অনুষ্ঠানৰ আজি শুভাৰম্ভ হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা অনুসৰি, বাংলাদেশ, ভূটান, ম্যানমাৰ, নেপাল আৰু শ্ৰীলংকাৰ চৈধ্যগৰাকী যুৱ কূটনীতিবিদে সপ্তাহজোৰা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে । বংগোপসাগৰীয় অঞ্চলৰ যুৱ কূটনীতিবিদসকলৰ মাজত সহযোগিতা শক্তিশালী কৰাৰ দিশত ভাৰতৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেংককত অনুষ্ঠিত হোৱা ষষ্ঠ বিমষ্টেক সন্মিলনত অঞ্চলটোৰ প্ৰতিষ্ঠানিক আৰু সামৰ্থ বিকাশৰ প্ৰচেষ্টাক শক্তিশালী কৰাৰ বাবে এই কাৰ্যসূচীৰ ঘোষণা কৰে ।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে, বাংলাদেশ, ভূটান, ম্যানমাৰ, নেপাল আৰু শ্ৰীলংকাৰ চৈধ্যজন যুৱ কূটনীতিবিদে এই সপ্তাহজোৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। বংগোপসাগৰ অঞ্চলৰ যুৱ কূটনীতিবিদসকলৰ মাজত সহযোগিতা শক্তিশালী কৰাৰ বাবে ভাৰতৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেংককত অনুষ্ঠিত হোৱা ষষ্ঠ বিমষ্টেক সন্মিলনত অঞ্চলটোৰ প্ৰতিষ্ঠানিক আৰু সামৰ্থ্য বিকাশৰ প্ৰচেষ্টাক শক্তিশালী কৰাৰ বাবে এই কাৰ্যসূচী ঘোষণা কৰে।

0000000

ভাৰতৰ অৰুন্ধতী চৌধৰীয়ে গ্ৰেটাৰ নয়দাত অনুষ্ঠিত বিশ্বকাপ বক্সিঙৰ মহিলাৰ ৭০ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে আজি ছেমি ফাইনেলত তিনিবাৰৰ বিশ্ব চেম্পিয়ন জাৰ্মানীৰ লিঅ’নি আয়শ্বা মুলেৰক ৩-০ ফলাফলত পৰাস্ত কৰে। অৰুন্ধতীয়ে কাইলৈ ফাইনেলত উজবেকিস্তানৰ অজিজা জ’ক’ৰিভাৰ সন্মুখীন হ’ব। অৰুন্ধতীৰ উপৰি মীনাক্ষী, অংকুশ পংঘাল, পাৰবীন আৰু নুপুৰেও নিজ নিজ শাখাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

0000000

সমাপ্ত